**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 13-01-2025
**Time :** 12-05 Hrs.

***Assamese Midday Bulletin***

আজি ভোগালী বিহুৰ উৰুকা। পৰম্পৰাগতভাৱে চলি অহা মাঘৰ বিহুৰ উৰুকাৰ দিনা ৰাজ্যবাসীয়ে আজি নিশা সমূহীয়া ভোজ-ভাত খোৱাৰ দিহা কৰিছে। গ্ৰাম্যাঞ্চলত মেজি আৰু ভেলাঘৰৰ তলত সমূহীয়া ভোজ-ভাতৰ প্ৰস্তুতি পুৰাতে আৰম্ভ হৈছে। গুৱাহাটীকে ধৰি ৰাজ্যখনৰ নগৰাঞ্চলৰ ৰাইজেও কংক্ৰিটৰ মজিয়াত একেলগে এসাঁজ খোৱাৰ বাবে প্ৰস্তুত হৈছে। ৰাজ্যখনৰ গ্ৰাম্যাঞ্চলৰ কেইবাখনো বিলত আজি গাঁওবাসীয়ে সমূহীয়াকৈ মাছ ধৰিছে। মাছৰ বজাৰসমূহত আজি পুৱতি নিশাৰে পৰা বিভিন্ন স্থানৰ পৰা মাছ ব্যৱসায়ীসকল উপস্থিত হোৱাৰ লগতে গ্ৰাহকৰো ভিৰ পৰিলক্ষিত হয়। গুৱাহাটীৰ উজান বজাৰত আজি প্ৰায় ৭০ টন মাছ বিক্ৰী হ'ব বুলি আশা কৰা হৈছে।

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ অন্তৰ্গত বিল, জলাশয়সমূহত আজি পুৱাৰ ভাগত ওচৰৰ গাঁওবাসীক ২ ঘণ্টাৰ বাবে মাছ ধৰিবলৈ উদ্যান কৰ্তৃপক্ষই অনুমতি দিয়ে। মাজুলীৰ বিভিন্ন অঞ্চলত আজি ৰাইজে সমূহীয়াভাৱে মাছ ধৰি আনন্দ উপভোগ কৰে। কোকৰাঝাৰ জিলাৰ বজাৰসমূহত আজি ভোগালীৰ উৰুকাৰ বাবে মাছ বিক্ৰেতা আৰু ক্ৰেতাসকলে ভিৰ কৰে বুলি আমাৰ সংবাদদাতাই জনাইছে।

মাঘ বিহু উপলক্ষে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসমবাসীক শুভেচ্ছা জনাইছে।

মাঘ বিহুত ৰাজ্যখনৰ বিভিন্ন ঠাইত আয়োজন কৰি অহা পৰম্পৰাগত ম'হ যুঁজ আৰু হাজোৰ বুলবুলি চৰাইৰ যুঁজ উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশৰ পৰিপ্ৰেক্ষিতত এই বাৰ অনুষ্ঠিত নহয়।

উৰুকাৰ নিশা যাতে ৰাজ্যখনত সুৰাপায়ী চালকৰ দ্বাৰা কোনো ধৰণৰ দুৰ্ঘটনা সংঘটিত নহয় তাৰ বাবে পৰিবহন বিভাগে আজি আবেলিৰ পৰা বিভিন্ন স্থানত তালাচীৰ ব্যৱস্থা কৰিছে।

০০০০

চুবুৰীয়া ৰাজ্য মণিপুৰতো শস্য চপোৱা উৎসৱ **গাননাই** উদযাপন কৰা হৈছে। ৰাজ্যখনৰ কাবুই ৰংমেই নগা জনগোষ্ঠীৰ লোকসকলে শস্য চপোৱাৰ পাছত এই উৎসৱৰ আয়োজন কৰে। এই উপলক্ষে কালি পশ্চিম ইম্ফলৰ ছাগলবন্ধ ৰামজি কাবুই গাঁৱত আয়োজিত পৰম্পৰাগত অনুষ্ঠানত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী এন বিৰেন সিং, কেইবাগৰাকীও মন্ত্ৰী, বিধায়ক আৰু অন্যান্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। এই উপলক্ষে সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হয়। শিশুৰ পৰা বয়স্কলৈ লোকসকলে এই উৎসৱত অংশগ্ৰহণ কৰি পৰাম্পৰাগত নৃত্য-গীত পৰিৱেশন কৰাৰ লগতে জনগোষ্ঠীয় খাদ্যৰ জুতি লয়।

০০০০

ফ্ৰান্সৰ পেৰিছত থকা ইউনেস্কোৰ মুখ্য কাৰ্যালয়ত আজি বিশ্ব ঐতিহ্যক্ষেত্ৰ হিচাপে চৰাইদেউ মৈদামক আনুষ্ঠানিকভাৱে স্বীকৃতিপত্ৰ প্ৰদান কৰা হ'ব। এই উদ্দেশ্যে ৰাজ্যৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাই ৰাজ্য চৰকাৰৰ হৈ আনুষ্ঠানিক স্বীকৃতিপত্ৰ গ্ৰহণ কৰিবলৈ যোৱানিশা নতুন দিল্লীৰ পৰা ইতিমধ্যে পেৰিছ অভিমুখে

ৰাওনা হৈছে। মন্ত্ৰীগৰাকীয়ে নতুন দিল্লীত সাংবাদিকসকলৰ আগত কয়, যে উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন সাংস্কৃতিক ঐতিহ্যক্ষেত্ৰ হিচাপে স্বীকৃতি পোৱা চৰাইদেউ মৈদাম অসমৰ গৌৰৱ। উল্লেখযোগ্য যে কিছুদিন পূৰ্বে উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথমখন সাংস্কৃতিক ঐতিহ্যক্ষেত্ৰ হিচাপে চৰাইদেউৰে ইউনেস্কোৰ বিশ্ব ঐতিহ্যক্ষেত্ৰৰূপে স্বীকৃতি লাভ কৰে। এই স্বীকৃতি লাভৰ ক্ষেত্ৰত গ্ৰহণ কৰা প্ৰচেষ্টাৰ বাবে সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰে।

০০০০

চিৰাং জিলা সাহিত্য সভাৰ ষষ্ঠ দ্বিবাৰ্ষিক অধিৱেশন কালি দিনজোৰা কাৰ্যসূচীৰে জিলাখনৰ ঢালিগাঁওস্থিত বঙাইগাঁও শোধনাগাৰ কৰ্মচাৰী সংঘৰ কাৰ্যালয়ত অনুষ্ঠিত হয়। কালি পুৱা পতাকা উত্তোলন আৰু স্মৃতি তৰ্পনৰ পাছত জিলা সাহিত্য সভাৰ অন্তিমখন কাৰ্যনিৰ্বাহক অনুষ্ঠিত হয়। বিয়লি অনুষ্ঠিত প্ৰতিনিধি সভাত জিলা সমিতিৰ অন্তৰ্গত ১৫ খন শাখা সভাৰ ১০০ ৰো অধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। ইয়াৰ পাছতে অনুষ্ঠিত আন এখন সভাত ২০২৫-২৭ বৰ্ষৰ বাবে নতুন সমিতিখন গঠন কৰা হয়।

০০০০

শোণিতপুৰৰ বেচেৰীয়াৰ লোকবাদ্য নিৰ্মাতা, বাদক তথা গায়ক মৃদুল কুমাৰ দাসলৈ চলিত বৰ্ষৰ বকুলবন বঁটা আগবঢ়োৱা হৈছে। যোৰহাটৰ বকুলবন ন্যাসৰ সভাপতি ড° সৌমিত্ৰ পূজাৰীয়ে এই বঁটা ঘোষণা কৰি কয়, যে ওৰেটো জীৱন লোক কলা-সংস্কৃতিৰ সাধনাত উৎসৰ্গা কৰি গায়ন বাদনৰ লগতে বাদ্যযন্ত্ৰ নিৰ্মাণ কৰা শ্ৰী দাসলৈ তেওঁৰ কৰ্মৰাজিৰ স্বীকৃতি হিচাপে এই বঁটা আগবঢ়োৱা হৈছে। অহা ২৭ জানুৱাৰীত বকুলবনৰ কবি পদ্মশ্ৰী সন্মানপ্ৰাপ্ত আনন্দ চন্দ্ৰ বৰুৱাৰ জন্মদিৱস উপলক্ষে উদযাপিত বকুলবন দিৱসত তেওঁক এই বঁটা প্ৰদান কৰা হ'ব।

০০০০

নতুন দিল্লীৰ ইন্দিৰা গান্ধী ষ্টেডিয়ামত আজি খো খো বিশ্বকাপ ২০২৫ আৰম্ভ হ'ব। ভাৰতীয় অলিম্পিক সংস্থাৰ সহযোগত এই উদ্বোধনী সংস্কৰণত ২০টা পুৰুষ দল আৰু ১৯টা মহিলা দলে অংশগ্ৰহণ কৰিছে। ভাৰতীয় খো খো সংস্থাই এই প্ৰতিযোগিতাৰ বাবে পুৰুষ আৰু মহিলাৰ পৃথকে পৃথকে ১৫ জনীয়া দল ঘোষণা কৰিছে। প্ৰতীক ৱাইকাই নেতৃত্ব দিবলগীয়া ভাৰতীয় পুৰুষৰ দলটো নেপাল, পেৰু, ব্ৰাজিল আৰু ভূটানৰ সৈতে গ্ৰুপ-এত আছে। প্ৰিয়ংকা ইংলেৰ নেতৃত্বৰ মহিলা দলটো ইৰাণ, মালয়েছিয়া আৰু কোৰিয়াৰ সৈতে গ্ৰুপ-এত আছে। খো খো বিশ্বকাপৰ চূড়ান্ত খেলখন অহা ১৯ জানুৱাৰীত অনুষ্ঠিত হ'ব। আজি নিশা চাৰে ৮ বজাত ভাৰতৰ পুৰুষৰ দলটোৱে নেপালৰ বিৰুদ্ধে প্ৰতিযোগিতাৰ প্ৰথমখন খেলত অৱতীৰ্ণ হ'ব। দূৰদৰ্শনৰ ডি ডি স্পৰ্টছত খেলখনৰ পোনপটীয়া সম্প্ৰচাৰ কৰা হ'ব।

০০০০

সমাপ্ত